Total number of printed pages – 4

3 (Sem–4/CBCS) ASM HC 2

2025

Dhekial Phookan College Library
Acc. No.
Date
* Nagaon : Assam *

# ASSAMESE

(Honours Core)

Paper : ASM–HC–4026

*(অসমীয়া ভাষাৰ সমাহৰণ ঃ আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা)*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×১০=১০

(ক) গ্ৰীয়াৰ্ছনৰ মতে অসমীয়া ভাষাৰ জন্ম কি প্ৰাকৃতৰ পৰা হৈছে?

(খ) ইণ্ডো-ইৰাণীয় শাখাৰ লোকসকলে নিজকে কি বুলি গৌৰৱ অনুভৱ কৰিছিল?

(গ) ক্ৰমবিকাশৰ দিশৰ পৰা ভাৰতীয় আৰ্য ভাষাক কেইটা ভাগত ভাগ কৰিব পাৰি?

(ঘ) খাচী ভাষাটো কোন ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত?

(ঙ) কনকলাল বৰুৱাই অসমীয়া ভাষাৰ উদ্ভৱ সন্দৰ্ভত দাঙি ধৰা মতটো কি?

(চ) দ্ৰাবিড় গোষ্ঠীৰ অন্তৰ্ভুক্ত এটি ভাষাৰ নাম লিখা।

(ছ) *Assamese : Its Formation and Development* নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(জ) মাগধী প্ৰাকৃত ভাৰতৰ কোন অঞ্চলৰ প্ৰাকৃত?

(ঝ) সাহিত্যিক প্ৰাকৃতৰ ভিতৰত শ্ৰেষ্ঠ প্ৰাকৃতটো কি?

(ঞ) কাৰেং শব্দটো কি ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সম্ভাব্য কালসীমা কিমান বুলি ধৰা হৈছে?

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাই কি কি ভাষাক সামৰি লয়?

(গ) অসমীয়া ভাষা কামৰূপী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা বুলি মত দিয়া *দুগৰাকী* ভাষাবিদৰ নাম লিখা।

(ঘ) বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অহা *দুটা* শব্দ উল্লেখ কৰা।

(ঙ) চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ প্ৰধান শাখা *দুটা* কি কি?

Anandaram Dhekial Phookan College Library * Nagaon : Assam * Acc. No. ........ Date........



৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) মাগধী প্ৰাকৃত আৰু ইয়াৰ পৰা উদ্ভৱ হোৱা ভাষা

(খ) অসমীয়া ভাষালৈ অষ্ট্ৰিক ভাষা পৰিয়ালৰ অৱদান

(গ) সাহিত্যিক প্ৰাকৃত

(ঘ) মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰ

(ঙ) দ্ৰাবিড় ভাষা পৰিয়াল

(চ) আৰ্য-ভিন্ন থলুৱা জনগোষ্ঠী

Anandaram Dhekial Phookan College Library * Nagaon : Assam * Acc. No. ........ Date........

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)* ১০×৪=৪০

(ক) আৰ্যসকলৰ অসম আগমন সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া ভাষাত মাগধী প্ৰাকৃতৰ উপাদান সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া ভাষালৈ বড়ো জনগোষ্ঠীৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(ঙ) অসমীয়া ভাষাত সংস্কৃত ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে আলোচনা কৰা।

(চ) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক দিশত আৰ্যভিন্ন ভাষাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(ছ) সাম্প্ৰতিক সময়ৰ অসমীয়া ভাষাৰ স্বৰূপ সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(জ) অসমীয়া ভাষাৰ শব্দসম্ভাৰত ভাৰতৰ প্ৰাদেশিক ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে আলোচনা কৰা।

Anandaram Dhekial Phookan College Library
Acc. No.
Date
* Nagaon : Assam *

---